**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 07-11-2024 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে যে সৈনিকসকলৰ প্ৰতি ৰাষ্ট্ৰৰ কৃতজ্ঞতা জ্ঞাপন তথা এটা দীৰ্ঘদিনীয়া দাবী পূৰণৰ ক্ষেত্ৰত 'এটা পদবী এটা পেন্সন' ৰূপায়ণৰ সিদ্ধান্ত হৈছে এটা গুৰুত্বপূৰ্ণ পদক্ষেপ।

২। প্ৰধানমন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা নৰেন্দ্ৰ মোদীয়ে কাইলৈ মহাৰাষ্ট্ৰত বিধানসভা নিৰ্বাচনৰ প্ৰচাৰ আৰম্ভ কৰিব।

৩। কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহে কৈছে যে চৰকাৰে শীঘ্ৰেই সন্ত্ৰাসবাদ প্ৰতিৰোধৰ বাবে নতুন ৰাষ্ট্ৰীয় সন্ত্ৰাসবাদ প্ৰতিৰোধ নীতি আৰু কৌশল প্ৰযোজ্য কৰিব।

আৰু

৪। আজি ষট্ পূজাৰ তৃতীয় দিন। ভক্তসকলে আজি নৈৰ পাৰত অস্তগামী সূৰ্যলৈ অৰ্ঘ্য আগবঢ়াব। কাইলৈ পুৱা উদিত সূৰ্যৰ উপাসনাৰে এই চাৰিদিনীয়া উৎসৱৰ সামৰণি পৰিব।

0000000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে যে সৈনিকসকলৰ প্ৰতি ৰাষ্ট্ৰৰ কৃতজ্ঞতা জ্ঞাপন তথা এটা দীৰ্ঘদিনীয়া দাবী পূৰণৰ ক্ষেত্ৰত 'এটা পদবী এটা পেন্সন' ৰূপায়ণৰ সিদ্ধান্ত হৈছে এটা গুৰুত্বপূৰ্ণ পদক্ষেপ। 'এটা পদবী এটা পেন্সন' আঁচনিয়ে আজি ১০ বছৰ সম্পূৰ্ণ কৰাৰ পৰিপ্ৰেক্ষিতত প্ৰধানমন্ত্ৰী মোদীয়ে সামাজিক মাধ্যমৰ এটা পোষ্টত কয় যে এই আঁচনিখন হৈছে সেইসকল প্ৰাক্তন সৈনিকৰ বীৰত্ব আৰু ত্যাগৰ প্ৰতি শ্ৰদ্ধাঞ্জলি, যিসকলে ৰাষ্ট্ৰৰ সুৰক্ষাত নিজৰ জীৱন উচৰ্গা কৰিছিল। বিগত দশকত এই আঁচনিৰ দ্বাৰা লাখ লাখ পেঞ্চনাৰ আৰু তেওঁলোকৰ পৰিয়াল উপকৃত হৈছে বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে কয় যে এই আঁচনিয়ে সেনা বাহিনীৰ হিতৰ ক্ষেত্ৰত চৰকাৰৰ প্ৰতিশ্ৰুতিবদ্ধতাক প্ৰতিনিধিত্ব কৰিছে। শ্ৰী মোদীয়ে লগতে কয় যে তেওঁৰ চৰকাৰে সেনা বাহিনীক শক্তিশালী কৰাৰ লগতে ৰাষ্ট্ৰৰ প্ৰতি সেৱা আগবঢ়োৱাসকলৰ কল্যাণৰ অৰ্থে সকলো কাম কৰি যাব।

চৰকাৰৰ এটা পদৰী এটা পেন্সন আঁচনিয়ে আজি ১০ বছৰ সম্পূৰ্ণ কৰিছে। এই পৰিৱৰ্তনশীল আঁচনিখনৰ জৰিয়তে চৰকাৰে প্ৰাক্তন সেনাসকলৰ বাবে নায্য আৰু সমান পেন্সন লাভ কৰাটো নিশ্চিত কৰিছে। ইয়াৰ জৰিয়তে একেটা পদবীত একে ধৰণৰ সেৱা আগবঢ়োৱা প্ৰাক্তন সেনাসকলক তেওঁলোকৰ অৱসৰৰ দিন যিয়েই নহওঁক, সমান পেন্সন প্ৰদান কৰাটো নিশ্চিত কৰা হৈছে। প্ৰতিৰক্ষা মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে চলিত বিত্তীয় বৰ্ষত এই আঁচনিৰ বাবে মুঠ ৪ হাজাৰ ৪৬৮ কোটি টকা ধাৰ্য্য কৰা হৈছে। যোৱা ৩০ ছেপ্তেম্বৰলৈকে সশস্ত্ৰ সেনা-পেঞ্চনাৰসকলৰ বাবে ৮৯৫ কোটি টকা মোকলাই দিয়া হৈছে।

000000000

মহাৰাষ্ট্ৰত বিধানসভা নিৰ্বাচনৰ প্ৰচাৰ আকৰ্ষণীয় হৈ উঠিছে। কংগ্ৰেছে নিজৰ নিৰ্বাচনী ইস্তাহাৰৰ অংশ হিচাপে মহাৰাষ্ট্ৰবাসীৰ বাবে পাঁচটা গেৰাণ্টী ঘোষণা কৰিছে। কংগ্ৰেছ নেতা ৰাহুল গান্ধীয়ে এই পাঁচটা গেৰাণ্টী

ঘোষণা কৰে। সেই অনুসৰি কংগ্ৰেছ দল ক্ষমতালৈ আহিলে ৰাজ্যৰ প্ৰতিগৰাকী মহিলাক মাহে ৩,০০০ টকাকৈ দিব বুলি ঘোষণা কৰিছে। ইয়াৰ লগতে সকলো যুৱতী-মহিলাৰ বাবে বিনামূলীয়া বাছ ভ্ৰমণ আৰু কৃষকসকলৰ বাবে ঋণ ৰেহাইৰ উপৰি উদগনিমূলক ভাট্টা দিয়াৰ কথাও দলটোৱে ঘোষণা কৰিছে। আমাৰ সংবাদদাতাই জনোৱা অনুসৰি প্ৰধানমন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা নৰেন্দ্ৰ মোদীয়ে কাইলৈ ৰাজ্যখনত বিধানসভা নিৰ্বাচনৰ প্ৰচাৰ আৰম্ভ কৰিব। অনাগত ৭ দিনত শ্ৰী মোদীয়ে ধুলে, নাচিক, আকুলা, নানডেড, চন্দ্ৰপুৰ, চিমুৰ, ছ'লাপুৰ, পুনে, ছত্ৰপতি ছম্ভাজীনগৰ, নবী মুম্বাই আৰু মুম্বাইত জনসভাত অংশগ্ৰহণ কৰিব। কেন্দ্ৰীয় মন্ত্ৰী তথা বিজেপিৰ নেতা নীতিন গাডকাৰীয়ে অহা ৮ দিনত ৰাজ্যখনত ৫০ খন জনসভাত বিজেপিৰ হৈ প্ৰচাৰ চলাব। ৰাজ্যৰ উপ-মুখ্যমন্ত্ৰী তথা এন চি পি অজিত গোটৰ সভাপতি অজিত পাৱাৰে আজি অনুশক্তিনগৰ আৰু গোৱান্দিত নিৰ্বাচনী প্ৰচাৰ চলাব।

বিৰোধী মহা বিকাশ আঘাড়িৰ অংশীদাৰ উদ্ধৱ থাকৰেৰ নেতৃত্বৰ শিৱ সেনা গোটে আজি নিৰ্বাচনী ইস্তাহাৰ মুকলি কৰিব। দলৰ কেইবাগৰাকীও জ্যেষ্ঠ নেতাৰ উপস্থিতিত উদ্ধৱ থাকৰেই এই ইস্তাহাৰ মুকলি কৰিব। ইপিনে, নিৰ্বাচন আয়োগৰ অধীনস্থ সংস্থাসমূহে ৰাজ্যখনত নিৰ্বাচনী সূচী ঘোষণা হোৱাৰ পিছৰেপৰা নগদ ২৮০ কোটি টকাৰ লগতে বুজন পৰিমাণৰ সুৰা, ড্ৰাগছ আৰু অন্যান্য মূল্যবান সামগ্ৰী জব্দ কৰিছে।

০০০০০০০০০

কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহে কৈছে যে চৰকাৰে শীঘ্ৰেই সন্ত্ৰাসবাদ প্ৰতিৰোধৰ বাবে নতুন ৰাষ্ট্ৰীয় সন্ত্ৰাসবাদ প্ৰতিৰোধ নীতি আৰু কৌশল প্ৰযোজ্য কৰিব। নতুন দিল্লীত অনুষ্ঠিত দুদিনীয়া সন্ত্ৰাসবাদ বিৰোধী সন্মিলন, ২০২৪ উদ্বোধন কৰি কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে আজি এইদৰে কয়। ৰাষ্ট্ৰীয় তদন্ত সংস্থা, অৰ্থাৎ এন আই এৰ উদ্যোগত এই সন্মিলনখনৰ আয়োজন কৰা হৈছে। শ্ৰী শ্বাহে কয় যে ২০০৬ চনৰ পৰা ২০১৩ চন আৰু ২০১৪ চনৰ পৰা ২০২১ চনলৈকে দেশত সন্ত্ৰাসবাদী ঘটনা ৭০ শতাংশ হ্ৰাস হৈছে। এই সন্দৰ্ভত গৃহমন্ত্ৰী অমিত শ্বাহে কয় –

–বাইট–

মন্ত্ৰীগৰাকীয়ে কয় যে বিগত ১০ বছৰত ভাৰত চৰকাৰে দেশৰ অভ্যন্তৰীণ সন্ত্ৰাসবাদৰ বিৰুদ্ধে যুঁজিবলৈ বিশেষ কৌশল আৰু এটা শক্তিশালী ব্যৱস্থা গঢ়ি তুলিছে।

০০০০০০০০০

আজি ষট্ পূজাৰ তৃতীয় দিন। ভক্তসকলে আজি নৈৰ পাৰত অস্তগামী সূৰ্যলৈ অৰ্ঘ্য আগবঢ়াব। কাইলৈ পুৱা উদিত সূৰ্যৰ উপাসনাৰে এই চাৰিদিনীয়া উৎসৱৰ সামৰণি পৰিব।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে ষট্ পূজা উপলক্ষে জনসাধাৰণক ওলগ জনাইছে। ৰাষ্ট্ৰপতি মুৰ্মুৱে এটা বাৰ্তাত কয় যে দেশৰ প্ৰাচীন উৎসৱসমূহৰ অন্যতম ষট্ পূজাত সূৰ্য দেৱতাৰ উপাসনা কৰা হয়। তেওঁ কয় যে এই উৎসৱৰ জৰিয়তে প্ৰকৃতিৰ অনন্য উপহাৰস্বৰূপ নৈ আৰু পুখুৰী আদিৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰা হয় আৰু কঠিন উপবাসৰ মাধ্যমেৰে মন আৰু আত্মাক শুদ্ধ কৰা হয়। এই উৎসৱে জনসাধাৰণক পৰিবেশ সুৰক্ষিত কৰিবলৈ অনুপ্ৰাণিত কৰে বুলিও ৰাষ্ট্ৰপতিগৰাকীয়ে উল্লেখ কৰে। শ্ৰীমতী মুৰ্মুৱে এই উৎসৱে জনসাধাৰণৰ জীৱনলৈ আনন্দৰ বতৰা কঢ়িয়াই আনিব আৰু ইয়াৰ ফলত প্ৰকৃতিৰ প্ৰতি শ্ৰদ্ধা বৃদ্ধি পাব বুলি আশা প্ৰকাশ কৰিছে।

০০০০০০

উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে ষট্ পূজা উপলক্ষে দেশবাসীক শুভেচ্ছা জনাইছে। সামাজিক মাধ্যমৰ এটা পোষ্টত তেওঁ এই উৎসৱে সকলোৰে জীৱনলৈ সমৃদ্ধি কঢ়িয়াই আনিব বুলি আশা প্ৰকাশ কৰে। উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে এই উৎসৱে দেশক প্ৰগতি আৰু সমৃদ্ধিৰ পথেৰে লৈ যাব বুলিও উল্লেখ কৰে।

০০০০০০০০০

আজি ৰাষ্ট্ৰীয় কেন্সাৰ সজাগতা দিৱস। এই দিৱস ২০১৪ চনৰ ৭ নৱেম্বৰৰ পৰা প্ৰতি বছৰে পালন কৰি অহা হৈছে। এই দিৱসৰ জৰিয়তে এই প্ৰাণঘাতী ৰোগবিধৰ প্ৰতিৰোধ, আৰম্ভণিতেই চিনাক্তকৰণ আৰু উপযুক্ত চিকিৎসা সন্দৰ্ভত মানুহৰ মাজত সজাগতা সৃষ্টিৰ প্ৰয়াস কৰি অহা হৈছে। কেন্সাৰ ৰোগৰ চিকিৎসাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পৰিগ্ৰহণ কৰি অহা ৰেডিয়াম আৰু প'ল'নিয়ামৰ আৱিষ্কাৰক তথা প'লেণ্ড-ফ্ৰান্সৰ ৰসায়নবিদ মেৰী কুৰীৰ জন্ম দিৱসো আজিৰ দিনটোতেই উদযাপন কৰি অহা হৈছে।

ৰাষ্ট্ৰীয় কেন্সাৰ সজাগতা দিৱসত দেশৰ চৰকাৰী হস্পিটেল, কেন্দ্ৰীয় চৰকাৰৰ স্বাস্থ্য আঁচনি আৰু পৌৰ স্বাস্থ্য কেন্দ্ৰসমূহত জনসাধাৰণৰ বিনামূলীয়া পৰীক্ষাৰ ব্যৱস্থা কৰা হয়। এই দিৱসৰ বিষয়ে ২০১৪ চনৰ ছেপ্তেম্বৰত তেতিয়াৰ কেন্দ্ৰীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী ড° হৰ্ষবৰ্ধনে ঘোষণা কৰিছিল।

০০০০০০০০০

জম্মু-কাশ্মীৰক বিশেষ ৰাজ্যৰ মৰ্যাদা ঘূৰাই দিয়াৰ দাবীত প্ৰস্তাৱ গ্ৰহণ আৰু কেন্দ্ৰীয় শাসিত অঞ্চলটোৰ সাংবিধানিক নিশ্চয়তা বিষয়ক কেন্দ্ৰ কৰি আজি জম্মু-কাশ্মীৰ বিধানসভা উত্তপ্ত হৈ উঠে। বিৰোধী বিধায়কসকলৰ হুলস্থূলৰ পৰিপ্ৰেক্ষিতত দিনটোৰ বাবে সদনৰ কাম-কাজ স্থগিত ৰখা হয়। উপ-মুখ্যমন্ত্ৰী তথা নেচনেল কনফাৰেঞ্চৰ নেতা সুৰিন্দৰ কুমাৰ চৌধাৰীয়ে অনা এই প্ৰস্তাৱ কালি মৌখিক ভোটত সদনত গৃহীত হৈছিল। আজি দিনটোৰ বাবে সদনৰ কাম-কাজ আৰম্ভ হওঁতেই বিৰোধী দলপতি সুনীল শৰ্মাৰ নেতৃত্বত বিজেপি বিধায়কসকলে এই প্ৰস্তাৱক সংবিধান বিৰোধী আখ্যা দি ইয়াৰ বিৰোধিতা কৰে। কেইবাগৰাকী সদস্যই কৰা অশোভনীয় আচৰণৰ বাবে অধ্যক্ষ আব্দুল ৰহিম ৰাথেৰে তেওঁলোকক মাৰ্শ্বলৰ জৰিয়তে সদনৰ বাহিৰলৈ উলিয়াই দিয়ে। শাসক-বিৰোধী উভয় পক্ষৰ শ্ল'গানে হুলস্থূলীয়া পৰিৱেশৰ সৃষ্টি কৰাত অধ্যক্ষই প্ৰথমতে ১৫ মিনিটৰ বাবে সদন স্থগিত ৰাখিছিল যদিও একেই পৰিৱেশ অব্যাহত থকাত সদন দিনটোৰ বাবে স্থগিত ৰাখে।

০০০০০০০০০

প্ৰতিবেশী ৰাষ্ট্ৰ ভূটানৰ সৈতে পাৰস্পৰিক সম্পৰ্ক শক্তিশালী কৰাৰ অংশ হিচাপে আজি বাক্সা জিলাৰ দৰঙাত এটা ইমিগ্ৰেচন তালাচী চকী মুকলি কৰা হয়। দুয়োখন ৰাষ্ট্ৰৰ মাজত পাৰস্পৰিক সম্পৰ্ক শক্তিশালী কৰাৰ লক্ষ্যৰে এই চকীটো স্থাপন কৰা হৈছে। ভূটান সীমান্তৰ পৰা ৭০০ মিটাৰ নিলগত অৱস্থিত এই ভূ-বন্দৰটোৱে দুয়োখন ৰাষ্ট্ৰৰ মাজত সম্পৰ্ক সুদৃঢ় কৰাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে। এই অনুষ্ঠানত অসমৰ ৰাজ্যপাল লক্ষ্মনপ্ৰসাদ আচাৰ্য্য আৰু ভূটানৰ প্ৰধানমন্ত্ৰী দাসো চেৰিং ট'বগে মুখ্য অতিথি  হিচাপে উপস্থিত থাকে। অনুষ্ঠানত কেন্দ্ৰীয় বৈদেশিক পৰিক্ৰমা ৰাজ্য মন্ত্ৰী পৱিত্ৰ মাৰ্ঘেৰিটা, অসমৰ বন আৰু পৰিৱেশ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী আৰু সাংসদ দিলীপ শইকীয়াকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

১৪ দশমিক ৫ একৰ ভূমি আৱৰি থকা এই ইমিগ্ৰেচন তালাচী চকীটোত দৰঙা সীমান্তইদি কৰা ভ্ৰমণ আৰু বাণিজ্য সুশৃংখলিত কৰাৰ আধুনিক ব্যৱস্থা আছে। দৰঙাত এই তালাচী চকীটো ভাৰত আৰু ভূটানৰ যুটীয়া উদ্যোগত স্থাপন কৰা হৈছে।

০০০০০০০০

আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি নিৰ্বাচনত বিজয়ী হোৱা ড'নাল্ড ট্ৰাম্পক বিদায়ী ৰাষ্ট্ৰপতি জ' বাইডেনে অভিনন্দন জনাইছে। হোৱাইট হাউছে প্ৰকাশ কৰা এটা বিবৃতিত কোৱা হৈছে যে ৰাষ্ট্ৰপতি বাইডেনে সকলো নিয়ম-নীতি অনুসৰি ক্ষমতা হস্তান্তৰ কৰিব। ৰাষ্ট্ৰপতি বাইডেনে দেশৰ সকলো নাগৰিকে একগোট হৈ কাম কৰাত গুৰুত্ব আৰোপ কৰে। হোৱাইট হাউছে লগতে নিশ্চিত কৰিছে যে বিদায়ী ৰাষ্ট্ৰপতিগৰাকীয়ে নিৰ্বাচনৰ ফলাফল আৰু ক্ষমতা হস্তান্তৰ প্ৰক্ৰিয়া সন্দৰ্ভত আজি দেশবাসীৰ উদ্দেশ্যে ভাষণ দিব।

ইয়াৰ পূৰ্বে উপ-ৰাষ্ট্ৰপতি তথা ৰাষ্ট্ৰপতি নিৰ্বাচনৰ পৰাজিত প্ৰাৰ্থী কমলা হেৰিছে নৱ-নিৰ্বাচিত ৰাষ্ট্ৰপতি ট্ৰাম্পক শুভেচ্ছা জনায়।

০০০০০০০০০

সমাপ্ত